# 2016

## COMMERCE

Paper : 202

**( Financial Accounting—II )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions as directed : 1×10=10

তলত দিয়া প্ৰশ্নবোৰৰ নিৰ্দেশ অনুযায়ী উত্তৰ দিয়া :

*(a)* Discount allowed to debtors is not shown in Branch Account.

( State whether the statement is True or False)

শাখা হিচাপত দেনাদাৰলৈ দিয়া বাট্টা দেখুওৱা নহয়।

( উক্ত বাক্যটো শুদ্ধ নে অশুদ্ধ লিখা )

*(b)* Revenue arising from sale of old furniture is not recognized as income as per AS–9.

( State whether the statement is True or False )

পুৰণি আচবাব বিক্ৰী কৰি পোৱা ৰাজহক আয় বুলি AS–9 মতে স্বীকৃতি দিয়া নহয়।

( উক্ত বাক্যটো শুদ্ধ নে অশুদ্ধ লিখা )

(c) Depreciation Accounting as per AS–6 does not deal with

AS–6 মতে অৱক্ষয়ৰ হিচাপকৰণ ব্যৱহাৰ নহয়

(i) goodwill
সুনামত

(ii) livestock
ঘৰুৱা জন্তুত

(iii) mineral
খনিজ দ্ৰব্যত

(iv) All of the above
ওপৰৰ সকলোতে

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(d) In branch accounting, the excess of selling price over wholesale price is considered as the profit of _____.

( Fill in the blank )

শাখা হিচাপকৰণত পাইকাৰী মূল্যৰ ওপৰত বিক্ৰী মূল্যৰ বাহিৰিনি _____-ৰ লাভ বুলি গণ্য কৰা হয়।

( খালী ঠাঁই পূৰ কৰা )

(e) Cash sent by the Branch not received by the HO is debited to _____ A/c by the year-end.

( Fill in the blank )

শাখাই প্ৰেৰণ কৰা নগদ ধন মুখ্য কাৰ্যালয়ে নাপালে বছৰৰ শেষত _____ হিচাপত ডেবিট কৰা হয়।

( খালী ঠাই পূৰ কৰা )

(f) Goodwill is an asset which can be disposed off only in the event of the business being sold as a going concern.

( State whether the statement is True or False )

সুনাম হ'ল এটা সম্পত্তি যাক এটা ব্যবসায়ক চলন্ত হিচাপৰ ধাৰণা হিচাপে বিক্ৰী কৰিলেহে মূল্য পাব পাৰি।

( উক্ত বাক্যটো শুদ্ধ নে অশুদ্ধ লিখা )

(g) What is Departmental Accounting?

বিভাগীয় হিচাপ কি?

(h) Section 39 of the Indian Partnership Act, 1932 relates to

1932 চনৰ ভাৰতীয় অংশীদাৰী আইনৰ 39 ধাৰা জড়িত বিষয়টো হ'ল

(i) admission of partners

অংশীদাৰৰ নামভৰ্তী

(ii) insolvency of partners

অংশীদাৰৰ দেউলীয়া

*(iii)* treatment of goodwill

সুনামৰ হিচাপ ব্যৱস্থা

*(iv)* dissolution of partnership firms

অংশীদাৰী ফাৰ্মৰ পৰিসমাপ্তি

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(i)* When an unrecorded asset is taken over by a partner, realization account is credited.

( State whether the statement is True or False )

যেতিয়া এটা নথিভুক্তবিহীন সম্পত্তি এজন অংশীদাৰে গ্ৰহণ কৰে, তেতিয়া মূল্য আদায়কৰণ হিচাপ ক্ৰেডিট কৰা হয়।

( উক্ত বাক্যটো শুদ্ধ নে অশুদ্ধ লিখা )

*(j)* What is sliding scale method of valuation of goodwill?

সুনাম নিৰূপণৰ শ্লাইদিং স্কেল পদ্ধতি কি ?

**2.** Answer the following questions in brief : 2×5=10

তলত দিয়া প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া :

*(a)* Name two items of inventories which are outside the scope of AS–2.

AS–2 ত অন্তৰ্ভুক্ত নোহোৱা দুটা মজুত পণ্যৰ নাম উল্লেখ কৰা।

*(b)* Why is Branch Adjustment A/c prepared?

শাখা সংযোজন হিচাপ কিয় প্ৰস্তুত কৰা হয়?

*(c)* State two basic differences of Branch Accounting and Departmental Accounting.

শাখা হিচাপ আৰু বিভাগীয় হিচাপৰ মাজত থকা দুটা মূল পাৰ্থক্য উল্লেখ কৰা।

*(d)* When all partners become insolvent, what will be the treatment of 'unpaid balance' in Creditors A/c?

যেতিয়া সকলোবোৰ অংশীদাৰ দেউলীয়া হয়, তেতিয়া পাওনাদাৰৰ হিচাপত 'অনাদায় উদ্বৃত্ত'ৰ হিচাপ ব্যৱস্থা কি হ'ব?

*(e)* How is interdepartmental transfer at cost price recorded?

ব্যয় মূল্যত আন্তঃবিভাগীয় স্থানান্তৰ কেনেকৈ নথিভুক্ত কৰা হয়?

**3.** Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নবোৰৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Give a brief note on AS–10 on valuation of fixed assets.

হিচাপৰ মানক–10 ৰ স্থায়ী সম্পত্তিৰ মূল্যায়নৰ ওপৰত এটি চমু টোকা লিখা।

*(b)* State how the compliance of Accounting Standards in India is ensured.

ভাৰতবৰ্ষত হিচাপৰ মানকসমূহ মানি চলাৰ নিশ্চয়তা কেনেকৈ হয়, তাক বৰ্ণনা কৰা।

*(c)* Guwahati Branch of Kolkata HO does not maintain its own books. Pass necessary Journal Entries in the books of Kolkata HO for the following

transactions effected during the year assuming books are kept under Stock and Debtors system :

কলিকতা মুখ্য কাৰ্যালয়ৰ গুৱাহাটী শাখাই কোনো নিজা হিচাপ নাৰাখে। মুখ্য কাৰ্যালয়ৰ বহীত হিচাপসমূহ মজুত আৰু দেনাদাৰ পদ্ধতিত ৰাখে বুলি ধৰি বছৰটোত উদ্ভৱ হোৱা তলত দিয়া লেনদেনসমূহৰ জাবেদা প্ৰৱিষ্টি দিয়া :

| | ₹ (টকা) |
|---|---|
| Goods sent to Branch<br>শাখালৈ দ্ৰব্য প্ৰেৰণ | 30,000 |
| Goods received by Branch<br>শাখাই প্ৰাপ্ত দ্ৰব্য | 25,000 |
| Cash remitted by Branch to the HO<br>শাখাই মুখ্য কাৰ্যালয়লৈ নগদ ধন প্ৰেৰণ | 40,000 |
| Cash received by HO<br>মুখ্য কাৰ্যালয়ে প্ৰাপ্ত নগদ ধন | 32,000 |

(d) KGR runs a chemist shop. His net assets on 31st March, 2016, amounted to ₹ 20,00,000. After paying rent of ₹ 15,000 a year to the landlord (who is also an employee in the shop) for premises valued at ₹ 1,00,000, salary of ₹ 20,000 to the chemist, he earns a

profit of ₹ 1,50,000. His landlord, who incidentally is the chemist of the shop is keen to purchase the shop. 12% is considered to be a reasonable return on capital employed for this type of business.

What can KGR expect as payment for goodwill? Make any reasonable assuptions, if necessary.

KGRয়ে এখন ঔষধৰ বিপণী চলাই আছে। তেওঁৰ 31 মাৰ্চ, 2016 চনত অন্তপৰা বছৰটোৰ প্ৰকৃত সম্পত্তিৰ পৰিমাণ 20,00,000 টকা। ঘৰৰ মালিকক 1,00,000 টকা মূল্যৰ ঘৰৰ ওপৰত বছৰটোৰ ঘৰ ভাড়া 15,000 টকা (যি বিপণীখনৰ এজন কৰ্মচাৰীও) আৰু দৰমহা বাবদ ফাৰ্মাচিষ্টজনক 20,000 টকা আদায় দিয়াৰ পাছত তেওঁৰ লাভ উপাৰ্জন হ'ল 1,50,000 টকা। তেওঁৰ ঘৰৰ মালিকে, যিজন ঘটনাক্ৰমে বিপণীখনৰ ফাৰ্মাচিষ্টও, বিপণীখন কিনিবলৈ আগ্ৰহী হ'ল। এনে প্ৰকৃতিৰ ব্যৱসায়ৰ বাবে মূলধন বিনিয়োগৰ ওপৰত ন্যায্য উপাৰ্জনৰ হাৰ 12% বুলি বিবেচনা কৰা হ'ল।

সুনামৰ বাবদ KGRয়ে কি পাব বুলি আশা কৰিব পাৰে? যদি দৰকাৰ হয় প্ৰয়োজনীয় অনুভৱ ব্যক্ত কৰা।

*(e)* From the following information, calculate absolute surplus capital :

তলত দিয়া তথ্যসমূহৰ পৰা চৰম ৰাহি মূলধনৰ পৰিমাণ গণনা কৰা :

*(i)* Balance of partners capital as per last Balance Sheet :

বছৰটোৰ চূড়ান্ত উদ্বৃত্ত-পত্ৰ মতে অংশীদাৰসকলৰ মূলধনৰ উদ্বৃত্ত :

| | ₹ (টকা) |
|---|---|
| *A* | 80,000 |
| *B* | 50,000 |
| *C* | 20,000 |

*(ii)* Profit & Loss A/c (Cr.) as per last Balance Sheet—₹ 24,000

বছৰটোৰ চূড়ান্ত উদ্বৃত্ত-পত্ৰ মতে লাভ-লোকচান হিচাপৰ (ক্ৰেডিট) উদ্বৃত্ত—24,000 টকা

*(iii)* Profit-sharing ratio—3 : 2 : 1

লাভ-বিতৰণৰ অনুপাত—3 : 2 : 1

*(f)* Explain the features of Independent Branch. Is a Foreign Branch an Independent Branch?

স্বতন্ত্ৰ শাখাৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা। বৈদেশিক শাখা এটা স্বতন্ত্ৰ শাখানে?

4. Answer the following questions : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Explain the procedure to be followed for issuing IFRS by the IASB. 10

IASB-ৰ দ্বাৰা IFRS বিলিকৰণৰ প্ৰক্ৰিয়াসমূহ আলোচনা কৰা।

*Or* / অথবা

Explain briefly the requirements of the Accounting Standard–1 (AS–1) for disclosure of accounting policies. 10

হিচাপৰ নীতিসমূহ প্ৰকাশ কৰাৰ বাবে হিচাপৰ মান–1ৰ (AS–1) আৱশ্যকতাসমূহ ব্যাখ্যা কৰা।

(b) A company having its HO at Guwahati has a Branch at Tinsukia. The Branch receives all goods from HO who also remits cash for all expenses. Sales are made by the Branch on credit as well as for cash.

গুৱাহাটীত মুখ্য কাৰ্যালয় থকা এটা কোম্পানীৰ তিনচুকীয়াত এটা শাখা আছে। শাখাই মুখ্য কাৰ্যালয়ৰ পৰা সকলো পণ্যদ্ৰব্য আৰু লগতে খৰছৰ বাবে নগদ টকা পায়। শাখাই পণ্যদ্ৰব্যসমূহ নগদ আৰু বাকীত বিক্ৰী কৰে।

Total sales made by the Branch for the year ending 31st March, 2016 amounted to ₹ 5,75,000 out of which 20% is cash sales. The following further information is available :

31 মাৰ্চ, 2016ত অন্তপৰা বছৰটোৰ বাবে শাখাটোৰ মুঠ বিক্ৰী আছিল 5,75,000 টকা, ইয়াৰে ভিতৰত 20% নগদ বিক্ৰী। তলত আৰু কিছুমান তথ্য দিয়া হ'ল :

| | ₹ (টকা) |
|---|---|
| Stock on 01.04.2015<br>মজুত পণ্য 01.04.2015 তাৰিখত | 85,000 |
| Debtors on 01.04.2015<br>দেনাদাৰ 01.04.2015 তাৰিখত | 80,000 |
| Petty cash on 01.04.2015<br>খুচুৰা নগদ 01.04.2015 তাৰিখত | 1,200 |
| Remittances to Branch :<br>শাখালৈ নগদ ধন প্ৰেৰণ : | |
| For Salary<br>দৰমহা বাবদ | 30,000 |
| For Rent<br>ঘৰভাড়া বাবদ | 10,000 |
| For Petty Cash<br>খুচুৰা নগদ বাবদ | 4,800 |
| Petty expenses incurred by Branch<br>শাখাই কৰা খুচুৰা খৰছ | 4,000 |

| | ₹ (টকা) |
|---|---|
| Cash received from Debtors<br>দেনাদাৰৰ পৰা প্ৰাপ্ত নগদ ধন | 4,80,000 |
| Bad Debts written off<br>অনুদ্ধাৰণীয় ঋণ | 500 |
| Normal loss of goods at Branch<br>শাখাত পণ্যদ্ৰব্যৰ স্বাভাৱিক লোকচান | 200 |
| Stock on 31.03.2016<br>মজুত পণ্য 31.03.2016 তাৰিখত | 36,000 |

All sales are made by Branch at cost plus 25%.

শাখাই সামগ্ৰীসমূহ খৰছৰ ওপৰত 25% যোগ দি বিক্ৰী কৰিলে।

Prepare Tinsukia Branch A/c in the books of HO for the year ended 31st March, 2016. 10

31 মাৰ্চ, 2016 চনত অন্তপৰা বছৰটোৰ বাবে মুখ্য কাৰ্যালয়ৰ বহীত শাখা হিচাপ প্ৰস্তুত কৰা।

*(c)* Mr. Rahul Bajaj carries on his business through two departments—Deptt. *A* and Deptt. *B*. Following are the extracts of his Trial Balance as on 31st December, 2015 :

মি. ৰাহুল বাজাজে দুটা বিভাগ—বিভাগ *A* আৰু বিভাগ *B*-ৰ জৰিয়তে তেওঁৰ ব্যবসায় চলাইছিল।

নিম্নলিখিত তথ্যসমূহ তেওঁৰ 31 ডিচেম্বৰ, 2015 তাৰিখৰ উদ্বৃত্ত মিলন-পত্ৰৰ পৰা লোৱা হ'ল :

| | ₹ (টকা) | | ₹ (টকা) |
|---|---|---|---|
| Opening Stock : | | Purchases Returns : | |
| আৰম্ভণী মজুত পণ্য : | | ক্ৰয় ফিৰৎ : | |
| *A* | 12,000 | *A* | 4,000 |
| *B* | 6,000 | *B* | 3,000 |
| Purchase : | | Sales Returns : | |
| ক্ৰয় : | | বিক্ৰয় ফিৰৎ : | |
| *A* | 24,000 | *A* | 2,000 |
| *B* | 20,000 | *B* | 1,400 |
| Sales : | | Salaries | 12,000 |
| বিক্ৰী : | | দৰমহা | |
| *A* | 40,000 | Advertisement | 3,600 |
| *B* | 34,000 | বিজ্ঞাপন | |
| Bad Debts | 1,200 | Depreciation | 2,700 |
| অনুদ্ধাৰণীয় ঋণ | | অৱক্ষয় | |

*Additional Information* :

*অতিৰিক্ত তথ্য* :

*(i)* Stock as on 31.12.2015

31.12.2015 ত সামৰণী মজুত পণ্য

| | ₹ (টকা) |
|---|---|
| *A* | 8,000 |
| *B* | 11,000 |

(ii) The unallocated expenses are to be charged to each department in proportion to the cost of goods sold

বিভাগ দুটাৰ মাজত বিতৰণ নোহোৱা খৰছবোৰ প্ৰত্যেক বিভাগৰ মাজত বিক্ৰী হোৱা দ্ৰব্যৰ খৰছৰ মূল্যৰ অনুপাতত বিতৰণ কৰা হ'ব

Prepare Departmental Trading and Profit & Loss A/c for the year ended 31st December, 2015. 10

31 ডিচেম্বৰ, 2015 চনত অন্তপৰা বছৰটোৰ বাবে ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা।

(d) *A*, *B* and *C* are partners in a firm sharing profits in the ratio 3 : 2 : 1 with the following assets and liabilities :

*A*, *B* আৰু *C* এখন ফাৰ্মৰ 3 : 2 : 1 অনুপাতত লাভ বিতৰণকাৰী অংশীদাৰ। তেওঁলোকৰ সম্পত্তি আৰু দেনাসমূহ তলত দিয়া ধৰণৰ আছিল :

| *Liabilities* দেনা | ₹ টকা | *Assets* সম্পত্তি | ₹ টকা |
|---|---|---|---|
| Capitals : মূলধন : | | Sundry Assets বিবিধ সম্পত্তি | 30,000 |
| *A* | 20,000 | Profit & Loss A/c লাভ-লোকচান হিচাপ | 18,000 |
| *B* | 12,000 | | |
| Reserve পুঁজি | 6,000 | *C*'s Capital *C*ৰ মূলধন | 2,000 |
| Creditors পাওনাদাৰ | 12,000 | | |
| | 50,000 | | 50,000 |

Assets realized ₹ 18,500 and expenses of realization amounted to ₹ 500. *C* became insolvent and his estate paid 50% of his debt. Close the books of the firm applying Garner *vs.* Murray rule. 10

আদায়কৃত সম্পত্তিৰ পৰিমাণ 18,500 টকা আৰু আদায়কৰণৰ খৰছ 500 টকা। *C* দেউলীয়া হ'ল আৰু তেওঁৰ ব্যক্তিগত সম্পত্তিৰ পৰা ঘাটিৰ 50% আদায় পোৱা গ'ল। গাৰ্ণাৰ বনাম মাৰেৰ নিয়ম প্ৰয়োগ কৰি ফাৰ্মখনৰ হিচাপ বহী সামৰিব লাগে।

*Or / অথবা*

Describe the procedure of determining the purchase consideration in case a partnership firm is sold to a company. Also state the Journal Entries to be passed in the books of the partnership firm in such a sale. 4+6=10

এটা অংশীদাৰী ফাৰ্ম এটা কোম্পানীলৈ বিক্ৰী হওঁতে ক্ৰয়মূল্য নিৰ্ধাৰণৰ বিভিন্ন পদ্ধতিসমূহ বৰ্ণনা কৰা। তেনে বিক্ৰীৰ ক্ষেত্ৰত অংশীদাৰী ফাৰ্মখনৰ বহীত দৰকাৰ হোৱা জাবেদা প্ৰৱিষ্টিসমূহও লিখা।

★★★